দেশ

পুৱাৰ খোজ কাঢ়িবলৈ গৈ সংজ্ঞাহীন জগদীপ ধনখড়, এআইআইএমএছত ভর্তি

পুৱাৰ খোজ কাঢ়িবলৈ গৈ সংজ্ঞাহীন হৈ পৰা প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক নতুন দিল্লীৰ এআইআইএমএছত ভর্তি কৰোৱা হৈছে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৪



Jagdeep Dhankhar (PTI)

নতুন দিল্লী, ১২ নৱেম্বৰ: পুৱাৰ খোজ কাঢ়িবলৈ গৈ হঠাৎ সংজ্ঞাহীন হৈ পৰা ভাৰতৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক বুধবাৰে নতুন দিল্লীৰ সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত ভর্তি কৰোৱা হৈছে।

৭৫ বছৰীয়া ধনখড়ক চিকিৎসালয়খনৰ কার্ডিঅ'-নিউৰ' কেন্দ্ৰত ভর্তি কৰোৱা হৈছে। বর্তমান তেওঁ কার্ডিঅ'লজী বিভাগৰ চিকিৎসকৰ তত্ত্বাৱধানত আছে। তেওঁৰ স্বাস্থ্যৰ অৱস্থা আৰু প্ৰয়োজনীয় চিকিৎসাৰ মূল্যায়ন চলি আছে।

পুৱাৰ খোজ কাঢ়ি থকাৰ সময়তে ধনখড় হঠাৎ ঢলি পৰি কেইমিনিটমানৰ বাবে সংজ্ঞাহীন হৈ আছিল। তেওঁৰ লগত থকা নিৰাপত্তাৰক্ষীসকলে প্ৰথমে আৰক্ষীৰ বাহনেৰে তেওঁক বাসগৃহলৈ লৈ যায়।

পৰৱর্তী সময়ত আইএলবিএছৰ চিকিৎসকৰ এটা দলে আৰু এআইআইএমএছৰ চিকিৎসক সন্দীপ ছেঠে তেওঁক চিকিৎসা প্ৰদান কৰে। স্বাস্থ্যৰ অৱস্থাক লৈ উদ্বেগ সৃষ্টি হোৱাত পাছত এম্বুলেঞ্চেৰে তেওঁক এআইআইএমএছলৈ লৈ যোৱা হয়।

চিকিৎসালয় কর্তৃপক্ষই এতিয়ালৈ তেওঁৰ স্বাস্থ্যৰ অৱস্থা সন্দর্ভত কোনো আনুষ্ঠানিক বিবৃতি প্রকাশ কৰা নাই।

জগদীপ ধনখড়ে ২০২২ চনৰ আগষ্টৰ পৰা ২০২৫ চনৰ ২১ জুলাইলৈ ভাৰতৰ ১৪সংখ্যক উপ-ৰাষ্ট্রপতি হিচাপে কার্যনির্বাহ কৰিছিল। স্বাস্থ্যজনিত কাৰণ আৰু চিকিৎসকৰ পৰামর্শক অগ্রাধিকাৰ দিয়াৰ কথা উল্লেখ কৰি তেওঁ ২০২৫ চনৰ জুলাই মাহত পদত্যাগ কৰিছিল।

ইয়াৰ পূর্বেও তেওঁ কেইবাবাৰো সংজ্ঞাহীন হৈ পৰিছিল। ২০২৫ চনৰ মার্চ মাহত বুকুৰ বিষৰ বাবে তেওঁ এআইআইএমএছৰ সংকটকালীন চিকিৎসা বিভাগত ভর্তি হৈছিল আৰু তেওঁৰ এঞ্জিঅ’প্লাষ্টী কৰা হৈছিল। একেদৰে ২০২৫ চনৰ জুন মাহত নৈনিতালত এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্রহণ কৰি থকাৰ সময়তো তেওঁ সংজ্ঞাহীন হৈ পৰিছিল। চলিত বর্ষৰ জানুৱাৰী মাহতো বাসগৃহত দুবাৰকৈ সংজ্ঞাহীন হোৱাৰ ঘটনা সংঘটিত হৈছিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/2386/jagdeep-dhankhar-aiims-health